


## পৰিৱেশ সজাগতা অভিযান

# পানী প্ৰদূষণ ৰোধ কৰোঁ আহক

pcba

## অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ

বামুণীমৈদাম, গুৱাহাটী- ২১



নীলা গ্ৰহ পৃথিৱী - ৭০০ কোটিৰো অধিক মানুহৰ আৱাসস্থল। পৃথিৱীৰ ওপৰিভাগৰ প্ৰায় ৭১ শতাংশ পানীৰে আৱৰা যদিও ইয়াৰ মুঠ পানীভাগৰ মাত্ৰ ০.২৬ শতাংশহে মানুহৰ বিভিন্ন কামত ব্যৱহাৰৰ উপযোগী। বৰ্তমান সময়ত বিশ্বৰ বিভিন্ন প্ৰান্তত ব্যৱহাৰযোগ্য পানীৰ নাটনি এক স্বাভাৱিক ঘটনা হৈ পৰিছে। জনসংখ্যা বৃদ্ধি, পানীৰ চাহিদা বৃদ্ধি, মানুহৰ কৰ্মৰ পৰিসৰ বৃদ্ধি, পানী প্ৰদূষণ আদি বিভিন্ন কাৰকৰ প্ৰভাৱত জনমূৰি ব্যৱহাৰযোগ্য পানীৰ প্ৰাচুৰ্য্যতা ক্ৰমাৎ কমি আহিছে। বৰ্তমান বিশ্বত জনমূৰি পানীৰ প্ৰাচুৰ্য্যতা প্ৰায় ৭৬০০ ঘণ মিটাৰ, যিতো ১৯৭০ চনৰ তুলনাত প্ৰায় আধা। যোৱাটো শতিকাত বিশ্বত পানীৰ ব্যৱহাৰৰ বৃদ্ধিৰ হাৰ জনসংখ্যা বৃদ্ধিৰ হাৰতকৈ দুগুণ বেছি আছিল। বিভিন্ন তথ্য মতে ২০২৫ চনত বিশ্বৰ প্ৰায় দুই-তৃতীয়াংশ লোক পানীৰ নাটনিত ভুগিব বা কঠিন পৰিস্থিতিৰ সন্মুখিন হ'ব। বিশ্ব স্বাস্থ্য সংস্থাৰ তথ্য মতে - বিশ্বৰ প্ৰায় ১১ শতাংশ মানুহে নিৰাপদ খোৱা পানীৰ অভাৱত ভুগি আছে আৰু প্ৰতি বছৰে প্ৰায় ৭,৬০,০০০ পাঁচ বছৰ বা তাৰ তলৰ বয়সৰ শিশুৰ মৃত্যু কেৱল পানীৰ মাধ্যমেৰে সংক্ৰমিত হোৱা ৰোগৰ কাৰণে হয়। সেয়ে, পানীৰ গুণগত মান ব্যৱহাৰৰ উপযোগিকৈ ৰাখিব পৰাতো প্ৰায়বোৰ ৰাষ্ট্ৰৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান হৈ পৰিছে।





পানী জীৱৰ প্ৰাণ। পানী অবিহনে উদ্ভিদ আৰু জীৱকূলৰ বিনাশ নিশ্চিত। কিন্তু পৰিতাপৰ বিষয় এই যে- প্ৰকৃতিৰ এই অমূল্য সম্পদবিধ ক্ৰমাৎ প্ৰদূষণৰ গ্ৰাসত পৰিছে। পানী প্ৰদূষণত কেতবোৰ প্ৰাকৃতিক কাৰক, যেনে- বানপানী, মাটিৰ ওপৰেৰে বাগৰি অহা বৰষুণৰ পানী, ভূমিক্ষয়, বতাহ আদিয়ে প্ৰভাৱিত কৰিলেও বৰ্তমানৰ বৰ্দ্ধিত প্ৰদূষণৰ সমস্যা মানুহৰ বিভিন্ন কাম-কাজৰ ফল মাত্ৰ। বিজ্ঞান আৰু প্ৰযুক্তিৰ দ্ৰুত বিকাশে মানুহৰ কৰ্মৰ প্ৰকৃতি আৰু পৰিসৰৰ দ্ৰুত পৰিৱৰ্তন ঘটোৱাৰ লগতে মানুহৰ জীৱন শৈলীৰো পৰিৱৰ্তন আনিছে। এইবোৰৰ প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱৰ ফলত পানীৰ গুণগত মানৰ তাৰতম্য ঘটিব লাগিছে। প্ৰদূষণৰ ফলত বিশ্বৰ অনেক স্থানৰ পানী হয় মানুহৰ ব্যৱহাৰৰ সম্পূৰ্ণ অনুপযোগী হৈ পৰিছে নাইবা সেইবোৰ ব্যৱহাৰৰ ফলত মানুহ আৰু আন জীৱ-জন্তু নান ধৰণে ক্ষতিগ্ৰস্ত হৈছে। তলত পানী প্ৰদূষণ ঘটাব পৰা মানুহৰ কিছুমান কাম-কাজ উল্লেখ কৰা হ'ল -



## পানী প্ৰদূষণৰ কেইটামান কাৰণ

- য'ত ত'ত - বিশেষকৈ বাট-পথৰ দাঁতি-কাষ, নলা-নৰ্দমা আদিত পেলোৱা ঘৰুৱা জাৱৰ-জোঁথৰ আৰু বৰ্জিত পানী।
- ঔদ্যোগিক ক্ষেত্ৰসমূহৰ পৰা ওলোৱা আৱৰ্জনা, বৰ্জিত পানী, অপদ্ৰব্য আৰু বৰ্জনীয় পদাৰ্থ (effluent)।



উন্নয়নশীল দেশসমূহে প্ৰায় ৮০% প্ৰস্ৰৱণ নিষ্কাশন নকৰাকৈয়ে পানীত পেলায়।



উদ্যোগসমূহে প্ৰতি বছৰে প্ৰায় ৩০০ - ৪০০ মেট্ৰিক টন প্ৰদূষিত আৱৰ্জনা পানীত পেলায়।




কৃষি কৰ্মৰ ফলত নিৰ্গত নাইট্ৰেট (Nitrate) পানী প্ৰদূষণৰ এক প্ৰধান কাৰক।

- কৃষি কাৰ্য্যত ব্যৱহৃত বিভিন্ন ৰাসায়নিক সাৰ, কীটনাশক আৰু পেষ্টনাশক ৰাসায়নিক দ্ৰব্য।
- খনন ক্ষেত্ৰৰ পৰা ওলোৱা খনিজাত দ্ৰব্য মিহলি পানী আৰু অপদ্ৰব্য।
- মহানগৰীয়া গোটা আৱৰ্জনা, বৰ্জিত পানী, প্ৰস্ৰৱণ আৰু অপদ্ৰব্য।
- খাৰুৱা তেল পৰিবাহী পাইপ লাইন আৰু টেংকাৰ সমূহৰ পৰা নিগৰা তেল।
- তাপ বিদ্যুৎ কেন্দ্ৰ আৰু পাৰমানৱিক শক্তি কেন্দ্ৰসমূহৰ পৰা ওলোৱা বৰ্জিত পানী আৰু বিষাক্ত আৱৰ্জনা।

## প্ৰদূষিত পানীৰ সম্ভাব্য প্ৰভাৱ

- প্ৰদূষিত পানীৰ সংস্পৰ্শলৈ অহা বা ব্যৱহাৰে বিভিন্ন ৰোগ, যেনে - কলেৰা, ডায়েৰিয়া, গ্ৰহণী, টাইফইড্, জণ্ডিছ, পেলুৰোগ সংক্ৰমণ ঘটাব পাৰে।
- মাছ বা আন আন জলজ প্ৰাণী বা উদ্ভিদৰ বংশ বৃদ্ধিত বাধাৰ সৃষ্টি কৰি বা মৃত্যু ঘটাই জল জীৱ বিচিত্ৰতা হ্ৰাস কৰা।
- শস্যৰ শ্ৰীবৃদ্ধিত হানি আৰু কৃষিৰ উৎপাদন হ্ৰাস।
- জল পৰিস্থিতিতন্ত্ৰ আৰু খাদ্য শৃংখলত ব্যাঘাট জন্মোৱা।
- মানুহৰ ব্যৱহাৰযোগ্য পানীৰ পৰিমান হ্ৰাস আৰু জল সংকটৰ সৃষ্টি।
- মানুহৰ পুষ্টিৰ বাবে প্ৰয়োজনীয় জলজ খাদ্য ভাণ্ডাৰৰ হানি।

## পানী প্ৰদূষণ ৰোধৰ উপায়

- উদ্যোগসমূহৰ বৰ্জিত পানী নিষ্কাশনৰ বাবে উন্নত প্ৰযুক্তিৰ ব্যৱহাৰ কৰা আৰু সম্ভৱ ক্ষেত্ৰত ইয়াৰ পুনঃব্যৱহাৰ কৰা।

- উদ্যোগসমূহৰ বৰ্জনীয় পদাৰ্থ (effluent) নিষ্কাশনৰ (treatment) বাবে উন্নত প্ৰযুক্তিৰ ব্যৱহাৰ কৰা।
- নগৰীয়া বৰ্জিত পানী নিষ্কাশন কৰি সম্ভৱ হ'লে পুনঃব্যৱহাৰ কৰা।
- নগৰীয়া অঞ্চলসমূহত বিজ্ঞানসন্মত পয়ঃপ্ৰণালী আৰু প্ৰস্ৰৱণ নিষ্কাশনৰ ব্যৱস্থা কৰা।
- ভূমিক্ষয় আৰু ভূমিস্খলন ৰোধৰ উপযুক্ত ব্যৱস্থা কৰা।
- কৃষি কাৰ্য্যত ৰাসায়নিক সাৰ, কীটনাশক আৰু পেষ্টনাশক ৰাসায়নিক দ্ৰব্যৰ বিজ্ঞানসন্মত ব্যৱহাৰ নিশ্চিত কৰাৰ বাবে প্ৰশিক্ষণ আৰু জনসজাগতামূলক আঁচনি গ্ৰহণ কৰা।
- উদ্যোগ ক্ষেত্ৰৰ চৌপাশে আৰু চৌহদৰ ভিতৰত, চহৰ অঞ্চলৰ বাট-পথৰ দুয়োকাষে আৰু মুকলি অঞ্চলসমূহত যথেষ্ট পৰিমানে স্থানীয় প্ৰজাতিৰ চিৰসেউজীয়া বৃক্ষ ৰোপণ কৰা।
- জাবৰ-জোঁথৰ য'তে ত'তে - বিশেষকৈ বাট-পথৰ দাঁতি-কাষ, নলা-নৰ্দমা আদিত পেলোৱা অভ্যাস বন্ধ কৰা।
- ব্যৱহাৰৰ পিছত থাকি যোৱা- ৰাসায়নিক দ্ৰব্য, তেল, ৰং, ঔষধ আদিবোৰ হাত ধোৱা বেচিন (sink), নলা-নৰ্দ্দমা, খাল-বিল আদিত নেপেলোৱা ।
- সু-পৰিকল্পিত নগৰ উন্নয়ন।
- নগৰীয়া গোটা আৱৰ্জনাৰ সু-পৰিচালনা।
- বৰষুণৰ পানী সংগ্ৰহ আৰু ব্যৱহাৰ।
- খনন কাৰ্য্যৰ সু-পৰিচালনা।




কৃষি ক্ষেত্ৰত জৈৱিক সাৰ ব্যৱহাৰত অগ্ৰাধিকাৰ দিয়ক



উদ্যোগসমূহৰ বৰ্জনীয় পদাৰ্থ (effluent) নিষ্কাশন প্ৰণালী (treatment plant) পানী প্ৰদূষণ ৰোধৰ সহায়ক।

প্ৰদূষণ ৰোধ প্ৰতিজন নাগৰিকৰে নৈতিক দায়িত্ব আৰু কৰ্তব্য। এখন প্ৰদূষণ মুক্ত পৃথিৱী আমাৰ সকলোৰে কাম্য। এইটো ইতিমধ্যে প্ৰতিপন্ন হৈছে যে পানী প্ৰদূষণৰ সমস্যাটো বহুলাংশে আমাৰ অভ্যাস, পৰিৱেশৰ প্ৰতি থকা আমাৰ দায়বদ্ধতা আৰু সজাগতাৰ ওপৰত নিৰ্ভৰশীল। প্ৰদূষিত পানী ঘাটক সদৃশ। আহক, আমি অভ্যাস পৰিৱৰ্তন আৰু বিকল্প পদ্ধতি প্ৰয়োগেৰে পানী প্ৰদূষণ ৰোধ কৰোঁ।

*প্ৰদূষণ মুক্ত পৰিৱেশ গঢ়াৰ লক্ষ্যৰে জনসজাগতা আনিবৰ বাবে অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ হৈ সদস্য সচিব (ভাঃ প্ৰাঃ) বিশ্ব কুমাৰ বৰুৱাৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত ।*

*সম্পাদনা ঃ কান্তেশ্বৰ কলিতা ।*